**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-04-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ পৰহিলৈ সামৰণি পৰিব। এই নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহেও নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে দলীয় কাম-কাজ চলাই আছে।

ডিব্ৰুগড় জিলাত নিৰ্বাচনৰ ব্যয় নিৰীক্ষণ কোষ আৰু নিৰ্বাচনী আচৰণ বিধি নিৰীক্ষণ কোষৰ বিষয়ববীয়াসকলৰ এটা প্ৰশিক্ষণ কালি মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিষয়াসকলক বিশেষজ্ঞ প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে।

যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। জিলাখনত কালি নিৰ্বাচনত নিয়োজিত পলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰু  বেলট বাকচসমূহৰ সাল সলনি প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

কামৰূপ জিলা প্ৰশাসনেও এই নিৰ্বাচনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে। জিলা প্ৰশাসনে মনোনয়ন প্ৰক্ৰিয়া সুকলমে চলোৱাৰ বাবে বিভিন্ন পৰ্যায়ত জিলাখনত ৩৮ গৰাকী আৰু ৰঙিয়া সম জিলাত ৪ গৰাকী বিষয়া নিয়োগ কৰিছে।

কাছাৰ জিলাত বিজেপিয়ে ১৩৮ খন আঞ্চলিক পঞ্চায়ত আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। আজি আঞ্চলিক পঞ্চায়তৰ বাকী থকা আসনসমূহৰ বাবেও প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হ'ব। কাইলৈৰ ভিতৰত দিছপুৰৰ পৰা জিলা পৰিষদৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি কাছাৰ বিজেপিৰ সভাপতি ৰূপম সাহাই প্ৰকাশ কৰে।

মাজুলী জিলাত দক্ষিণপাট সত্ৰৰ অতিথিগৃহত কালি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত জিলাখনৰ বিজেপি কৰ্মকৰ্তাসকলৰ মাজত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

১২ এপ্ৰিলত এই নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০

ৰাজ্যত ২৫ হাজাৰ অনুকম্পামূলক নিযুক্তি বন্ধ কৰিবলৈ অসম চৰকাৰে  গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল হোৱা  আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে  ছমাহৰ ভিতৰত এনে নিযুক্তিৰ আবেদনসমূহ বিবেচনা কৰিবলৈ কালি চৰকাৰক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে যোৱা বছৰৰ ১৮ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰে এখন জাননীযোগে এই নিৰ্দেশ বন্ধ কৰিছিল। চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰত্যাহ্বান জনাই

গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰুজু হোৱা ৫৬ টা গোচৰ সন্দৰ্ভত ন্যায়াধীশ মাইকেল জোথানখোমাৰ বিচাৰপীঠে কালি এই সন্দৰ্ভত ৰায় প্ৰদান কৰে। সেই অনুসৰি ২০১৭ চনৰ পূৰ্বে মৃত্যু হোৱা চৰকাৰী কৰ্মচাৰীৰ সন্তান নাইবা আত্মীয়ক যোগ্যতাৰ ভিত্তিত অনুকম্পামূলক নিযুক্তিৰ আবেদন বিবেচনা কৰিবলৈ ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিয়ে। এই নিযুক্তিৰ বাবে ছমাহৰ সময়সীমাও বান্ধি দিয়া হৈছে। একেদৰে অনুকম্পামূলক আবেদন বিবেচনাৰ অন্তত গ্ৰহণ কৰা সিদ্ধান্ত আবেদনকাৰীক অৱগত কৰিবলৈও ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিছে।

০০০০০০০

টাই আহোম উন্নয়ন পৰিষদৰ উদ্যোগত আৰু আহোম জনজাতীয় গণমঞ্চ শিৱসাগৰ জিলা সমিতিৰ সহযোগত জয়সাগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত দহদিনীয়া টাই আহোম নৃত্য গীতৰ কৰ্মশালাৰ কালি সাৰমণি পৰে। ৰাজ্যৰ মুঠ ১০ খন জিলাত যোৱা ৩০ মাৰ্চৰ পৰা এনে কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিখন জিলাতে ৫০ গৰাকীকৈ প্ৰশিক্ষাৰ্থীয়ে এই কৰ্মশালাত অংশ লয়। কৰ্মশালাত অংশগ্ৰহণকাৰী নৃত্য শিল্পীসকলৰ নিৰ্বাচিত দলে পৰৱৰ্তী সময়ত বিভিন্ন ঠাইত হ'বলগীয়া টাই আহোম নৃত্য গীতৰ কাৰ্যসূচীত ভাগ ল'ব।

০০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে অসমবাসীয়ে উৎসাহ-উদ্দীপনা বজাই ৰাখি বিহু পালন কৰিবলৈ সাজু হৈছে। মহিলাসকলে বিহুৰ সময়ছোৱাত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান যতনাই থোৱাৰ বাবে ঢেঁকীশালত ব্যস্ত হৈ পৰিছে। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেঁপাহৰ বিহুৱান বৈ-কাটি উলিয়াইছে। সমাগত ৰঙালী বিহু উপলক্ষে বিভিন্ন স্থানত কৰ্মশালা, বিপণী আদিৰ আয়োজন কৰা হৈছে।

ডিব্ৰুগড় জিলাৰ কানৈ মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয় আৰু হনুমান বক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু আছু গোটৰ উদ্যোগত কালি বিহু আখৰা আৰু ৰঙালী বিহু আদৰণী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে তিনিওখন মহাবিদ্যালয়ৰ অধ্যক্ষক ফুলাম গামোচা, চেলেং চাদৰ, জাপি আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। অধ্যক্ষকেইগৰাকীয়ে অসমীয়া জাতীয় জীৱনত ৰঙালী বিহুৰ পৰম্পৰা তথা গুৰুত্ব ৰক্ষাৰ বাবে সকলোকে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয় কেইখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত পিঠা-পনাৰ এখন মেলাও অনুষ্ঠিত কৰা হয়। ডিব্ৰু মহাবিদ্যালয়তো কালি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব'হাগী বিপণী শীৰ্ষক এটা কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাইয়ে মুকলি কৰা এই ব'হাগী বিপণীত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা পিঠা-পনা, আচাৰ, গামোচা, ৰুমাল আদিকে ধৰি বিহুৰ সৈতে জড়িত সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়।

তিনিচুকীয়া জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আজিৰে পৰা থানা চাৰিআলিৰ ডাকবাংলা চৌহদত অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। এই ব'হাগী মেলাত ভালেসংখ্যক আত্মসহায়ক গোটৰ মহিলাই থলুৱাভাৱে উৎপাদিত তথা নিজে প্ৰস্তুত কৰা সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰিছে।

০০০০০০

**সমাপ্ত**